**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা**
**মুক্ত শৈক্ষিক সমল**

**শ্ৰেণী ঃ অষ্টম বিষয় ঃ ভাষা-১ (অসমীয়া) প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাৰ্চ), ২০১৯ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - ব্যাৱহাৰিক ব্যাকৰণ (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

- দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা ইংৰাজী শব্দবোৰৰ ক্ষেত্ৰভেদে প্ৰচলন সম্পৰ্কে জ্ঞান পাব।
- সন্ধিৰ বিষয়ে জানিব পাৰিব।
- স্ত্ৰী প্ৰত্যয়ৰ বিষয়ে অৱগত হ'ব।
- তৎসম আৰু তদ্ভৱ শব্দৰ বিষয়ে জানিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ - ২০১৯)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) নিয়ৰ | - | পাঠ নং ১ |
| খ) যুগমীয়া শৰাইঘাট | - | পাঠ নং ২ |
| গ) এন ফ্ৰাঙ্কৰ ডায়েৰি | - | পাঠ নং ৩ |
| ঘ) জাগা জননীৰ সন্তান | - | পাঠ নং ৪ |
| ঙ) ভক্ত প্ৰহ্লাদ | - | পাঠ নং ৫ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত “শিক্ষাৰ অধিকাৰ আইন ২০০৯” অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

এই সাময়িকীৰ পাঠ পাঁচোটাত ব্যাৱহাৰিক ব্যাকৰণৰ যিবোৰ অৰ্হতা সন্নিৱিষ্ট কৰা হৈছে, ভাষা শুদ্ধ আৰু শুৱলাকৈ ক'বলৈ সেই অৰ্হতাবোৰৰ গুৰুত্ব অপৰিসীম। এই সাময়িকীত শিক্ষণৰ ধূসৰ ক্ষেত্ৰ হিচাপে অন্ত্যমিলযুক্ত শব্দ, সমাৰ্থক শব্দ, বিপৰীত শব্দ, বাক্য গঠন, সৰল বাক্য, জটিল বাক্যৰ জ্ঞান, পদৰ ধাৰণা, স্ত্ৰী প্ৰত্যয়ৰ জ্ঞান, সন্ধি, তৎসম, তদ্ভৱ, ইংৰাজী শব্দৰ জ্ঞান আৰু প্ৰয়োগক ধৰা হৈছে। এই ধূসৰ ক্ষেত্ৰসমূহৰ বেছিভাগ আগৰ শ্ৰেণীত আৰু অষ্টম শ্ৰেণীৰে আন তিনিটা সাময়িকীত আলোচনা হৈ গৈছে। অষ্টম শ্ৰেণীৰ দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ আৰু ‘নাছ’ৰ ৰাষ্ট্ৰীয় মূল্যায়ন তথ্য পৰ্যালোচনাত স্পষ্ট হৈছে যে ওপৰত উল্লেখ কৰা ব্যাৱহাৰিক ব্যাকৰণৰ অৰ্হতা আয়ত্তকৰণত ছাত্ৰ-ছাত্ৰীৰ যথেষ্ট লিখন ঘাটি আছে। ভাষা শুদ্ধকৈ লিখিবলৈ আৰু জানিবলৈ হ'লে এইবোৰ বিষয়ৰ জ্ঞান ভালদৰে আয়ত্ত কৰিব পাৰিব লাগিব। সেয়েহে এই ব্যাৱহাৰিক ব্যাকৰণৰ অৰ্হতা আহৰণৰ ক্ষেত্ৰত শিকন ঘাটিসমূহ চিনি উলিয়াই ছাত্ৰ-ছাত্ৰীৰ উক্ত দিশৰ বিকাশৰ বাবে বিশেষ যত্ন লোৱা প্ৰয়োজন। ইয়াৰ বাবে যথেষ্ট অনুশীলনৰ আৱশ্যক। পাঠ্যপুথিত উল্লেখ থকা অনুশীলন বা ক্ৰিয়া-কলাপৰ উপৰি আমি শিক্ষকসকলে নিজে কিছুমান ক্ৰিয়া-কলাপ ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিব পাৰোঁ। ব্যাৱহাৰিক ব্যাকৰণৰ অৰ্হতাসমূহ ভালদৰে আয়ত্ত কৰি ব্যৱহাৰ কৰিব পৰাকৈ আমি শিক্ষক হিচাপে কৰিব পৰা শিক্ষণ-শিকন পৰিকল্পনা আৰু ক্ৰিয়া-কলাপেৰে এই সমল সামগ্ৰীটো সজোৱা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

- যিকোনো বিষয় সুন্দৰকৈ উপস্থাপন কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীৰ শব্দৰ জ্ঞান থকা প্ৰয়োজন।

➯ বক্তব্য বিষয়ক কিদৰে সহজ, সাৱলীলভাৱে চুটি-চুটি বাক্যৰে সুন্দৰভাৱে প্ৰকাশ কৰিব পাৰিব তাৰ কৌশল আয়ত্ত কৰিব পাৰিব।

➯ ছাত্ৰ-ছাত্ৰীসকলে শুনা বা পঢ়া কথাৰ বিষয়বস্তু সন্দৰ্ভত প্ৰশ্ন কৰিব পৰাৰ দক্ষতা আহৰণ কৰাটো অতি প্ৰয়োজনীয়

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি কি শিকিব পাৰিম ?**

➯ এই গোটটো অধ্যয়ন কৰি শিক্ষক হিচাপে আমি শিকাৰুৰ ভাষা সম্পৰ্কীয় দক্ষতা বিকাশৰ বাবে কিছুমান পদক্ষেপ হাতত ল'ব পাৰিম।

➯ সফলভাৱে ব্যাৱহাৰিক ব্যাকৰণ শ্ৰেণীকোঠাত শিকাবলৈ কেনেদৰে পৰিকল্পনা কৰিব লাগে, সেয়া জানিব পাৰিম।

➯ ছাত্ৰ-ছাত্ৰীৰ ব্যাৱহাৰিক ব্যাকৰণৰ দক্ষতা বিকাশৰ লগতে আত্মমূল্যায়ন কৰিবলৈ সুবিধা পাম।

➯ নতুন নতুন উদ্ভাৱনী চিন্তাৰ ক্ৰিয়া-কলাপেৰে শ্ৰেণীকোঠা গতিশীল কৰিব পাৰিম।

**ব্যাৱহাৰিক ব্যাকৰণৰ বিকাশৰ ব্যৱস্থাৱলী ঃ**

অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে এই সাময়িকীৰ পাঠকেইটাৰ পৰা আহৰণ কৰিবলগীয়া আটাইবোৰ ব্যাৱহাৰিক ব্যাকৰণৰ দিশ ইয়াত সামৰি লোৱাটো সম্ভৱপৰ নহয়। সেয়েহে এই সমল সামগ্ৰীটোত শব্দৰ জ্ঞান (তৎসম, তদ্ভৱ, ইংৰাজী শব্দ), স্ত্ৰী প্ৰত্যয়ৰ ধাৰণা, সন্ধিৰ ব্যৱহাৰ আদিৰ আলোচনা কৰা হৈছে। পাঠত থকা ব্যাৱহাৰিক ব্যাকৰণৰ ধাৰণাসমূহ দৈনন্দিন জীৱনৰ ভাষাত ব্যৱহাৰ তথা প্ৰয়োগ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিব লাগিব।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল —**

**মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া)**

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ১) তৎসম, তদ্ভৱ আৰু ইংৰাজী শব্দৰ জ্ঞান বাঢ়িব। | পাঠ্যগত/ পাঠ বহিৰ্ভূত সামগ্ৰী | দলগত /ব্যক্তিগত | ১) তলত দিয়া শব্দবোৰৰ মাজৰপৰা তৎসম, তদ্ভৱ আৰু ইংৰাজী শব্দ বিচাৰ কৰা।<br>আকাশ, জীৱন, কাণ, হ্ৰস্ব, আজি, হাত, স্কুল, হস্পিতাল, ডেস্ক। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| ২) সন্ধিৰ জ্ঞান বৃদ্ধি পাব | পাঠ বহিৰ্ভূত | ব্যক্তিগত | ২) তলত দিয়া শব্দকেইটাৰ সন্ধি ভাঙা আৰু লগোৱা।<br>মুনীন্দ্ৰ, বিদ্যালয়, হিম + আলয়,<br>নিঃ + চয় | |
| ৩) স্ত্ৰী-প্ৰত্যয়ৰ জ্ঞান লাভ কৰিব | পাঠ বহিৰ্ভূত | ব্যক্তিগত | ৩) ভকতনী, সাদৰী, কুমাৰণী, দন্দুৰী, বান্দৰী — এই শব্দবোৰত কি কি স্ত্ৰী প্ৰত্যয় লগ লগিছে বিচাৰ কৰা। | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

হিৰণ বাইদেউ বৰপেটা জিলাৰ ছোৱালী হাইস্কুলৰ শিক্ষয়িত্ৰী। তেওঁ অষ্টম শ্ৰেণীত অসমীয়া পাঠ পঢ়ুৱায়। তেওঁ ছাত্ৰীসকলক পাঠ পঢ়ুৱাবলৈ গৈ দেখিলে যে সিহঁতৰ ভাষাৰ বৈয়াকৰণিক জ্ঞান কিছু কম। সন্ধি ভঙা আৰু গঠন কৰাত, অসমীয়া ভাষাৰ শব্দৰ জ্ঞানত, স্ত্ৰী প্ৰত্যয়ৰ ব্যৱহাৰ কৰাত সিহঁতৰ কিছু খোকোজা আছে। তেওঁ ছাত্ৰীসকলৰ এই দুৰ্বলতাবোৰ আতঁৰ কৰিবৰ বাবে আৰম্ভণিতে এটা পৰিকল্পনা কৰিলে। তাৰ বাবে তেওঁ কেনেদৰে প্ৰস্তুত হৈছিল নিজৰ মুখেৰেই শুনো আহক —

**প্ৰস্তুতি —**

শব্দৰ কাৰ্ড

শব্দৰ তালিকা

মই শ্ৰেণীকোঠাত সোমাই ছাত্ৰীসকলক পাঠভিত্তিক ব্যাকৰণৰ জ্ঞান দিবলৈ গৈ কিছুমান ক্ষেত্ৰত দুৰ্বলতা দেখিলোঁ। সেইবোৰ আতঁৰ কৰিবলৈ মই শ্ৰেণীকোঠাত ছাত্ৰীবোৰক দুটা দুটাকৈ দলত ভাগ কৰি প্ৰতিটো দলকে ৫ খনকৈ কাৰ্ড দিলোঁ। কাৰ্ডবোৰৰ মাজৰ পৰা দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা ইংৰাজী শব্দ আছে নেকি বিচাৰি উলিয়াব দিলোঁ। চাৰিটা দলে 'গ্লাচ', 'কলেজ', 'স্কুল', 'ক্লাছ', শব্দকেইটা বিচাৰি পালে। মই এইবাৰ সকলোবোৰ ছাত্ৰীকে শব্দ কেইটাৰ অৰ্থ সুধিলোঁ আৰু অসমীয়া প্ৰতিশব্দ সুধিলোঁ। 'ৰিপোৰ্টাৰ' শব্দটোৰ প্ৰতিশব্দ সিহঁতে ক'ব পৰা নাছিল। মই সেইটোৰ অৰ্থ ব্লেকবোৰ্ডত লিখি দিলোঁ। মই শিক্ষাৰ্থীসকলক অসমীয়া ভাষাত যে ইংৰাজী ভাষাৰ আৰু বহুত শব্দৰ ব্যৱহাৰ আছে সেয়া জনাই প্ৰতিজন ছাত্ৰীকে নিজে জনা তেনে শব্দবোৰ ক'বলৈ দিলোঁ আৰু মই প্ৰতিটো শব্দৰে অসমীয়া প্ৰতিশব্দবোৰ লিখি দিলোঁ। ছাত্ৰীসকলে শব্দবোৰৰ ৰূপবোৰ বহীত টুকি ল'লে। সেইদৰে মই তৎসম আৰু তদ্ভৱ শব্দৰ বিষয়ে জ্ঞান দি চাৰ্ট এখন আৰি দি তাৰ পৰা তৎসম আৰু তদ্ভৱশব্দ বাছি উলিয়াবলৈ দিলোঁ। সেইদৰে অসমীয়া ভাষাত থকা স্ত্ৰী প্ৰত্যয় চাৰিটা — ঈ, অনী, নী আৰু ৰী প্ৰত্যয় লগ লগাই যে কিছুমান শব্দ স্ত্ৰী বাচক কৰিব পাৰি, সেয়া দেখুৱাই দিলোঁ। শিক্ষাৰ্থীসকলক কিছুমান শব্দ দি শব্দবোৰৰ পাছত কোনটোত কি প্ৰত্যয় সংযোগ হ'ব দেখুৱাই দিলোঁ।

এনেদৰে গোটেই প্ৰক্ৰিয়াটো সমাপ্ত কৰোঁতে ৫ দিনৰ পাঁচটা পিৰিয়দ ব্যৱহাৰ কৰিছিলোঁ। ছাত্ৰ-ছাত্ৰীসকলেও বৰ উৎসাহ আৰু আনন্দেৰে কাৰ্যসমূহত অংশগ্ৰহণ কৰিছিল আৰু মইও বৰ সন্তুষ্টি অনুভৱ কৰিছিলোঁ।

***বিঃ দ্ৰঃ হিৰণ বাইদেৱে শ্ৰেণীটোত কাণেৰে কম শুনা ছাত্ৰীজনীক প্ৰথম বেঞ্চত বহিবলৈ দিছিল আৰু তাইক বিশেষভাৱে গুৰুত্ব দিছিল।***

**চিন্তা কৰি চাওঁ আহক ঃ**

- ⇨ হিৰণ বাইদেৱে কৰা ক্ৰিয়া-কলাপে ছাত্ৰীসকলৰ শিকনৰ ধূসৰতা আঁতৰ কৰিব পাৰিছিল নে?
- ⇨ তেওঁ ছাত্ৰীসকলৰ শব্দৰ জ্ঞান, সন্ধিৰ জ্ঞানৰ ক্ষেত্ৰত থকা দুৰ্বলতাবোৰ কেনেদৰে চিনাক্ত কৰিছিল?
- ⇨ এই ক্ৰিয়া-কলাপবোৰ পাঠ্যপুথিৰ বিষয়বস্তুৰ লগত তথা শিকনৰ ফলাফলৰ সৈতে সম্পূৰ্ণৰূপে সংযুক্ত হ'ব পাৰিছেনে?
- ⇨ হিৰণ বাইদেৱে কৰাৰ দৰে আমিও শিক্ষাৰ্থীৰ এনে ধূসৰতাবোৰ আঁতৰ কৰিবৰ বাবে ক্ৰিয়া-কলাপ প্ৰস্তুত কৰিব নোৱাৰোঁ নে?

**ক্ৰিয়া-কলাপ ঃ**

ছাত্ৰ-ছাত্ৰীৰ যাতে শব্দৰ জ্ঞান বৃদ্ধি হয়, তাৰ বাবে শ্ৰেণীকক্ষত আমি শিক্ষণ-শিকন সঁজুলিৰ সহায়ত ক্ৰিয়া-কলাপ কৰাব পাৰোঁ।

**প্ৰস্তুতি ঃ**

ক) এখন শব্দৰ তালিকা

খ) এখন তালিকাত তৎসম, তদ্ভৱ আৰু ইংৰাজী শব্দ লিখিব পৰাকৈ ভাগ।

পোনতে শিক্ষকে শব্দৰ তালিকাখন ছাত্ৰ-ছাত্ৰীৰ আগত আৰি দি তাৰ পৰা কোনটো শব্দ তৎসম, তদ্ভৱ আৰু ইংৰাজী, সেয়া বিচাৰি উলিয়াই এজন এজনকৈ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক মাতি আনি বহুৱাবলৈ দিব পাৰে। এনে তালিকাত পাঠ্যপুথিত থকা শব্দৰ উপৰি দৈনন্দিন জীৱনত ব্যৱহৃত শব্দও অন্তৰ্ভুক্ত কৰিব। ভুল হ'লে শিক্ষকে শুদ্ধ কৰি দিব আৰু ক'ত ভুল হৈছিল লগে লগে বুজাই যাব।

**ক্ৰিয়া-কলাপ - ২**

শব্দৰ কাৰ্ড কিছুমান লৈ শিক্ষকে কাৰ্ডবোৰ দলীয়ভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভগাই দিব। তাৰ পিছত শব্দবোৰ অৰ্থপূৰ্ণভাৱে আৰু ভাঙিব পাৰি নে সুধি তেওঁলোকক কৰিবলৈ দিব।

উদাহৰণ স্বৰূপে, শিক্ষকজনে এটা দলক 'দেৱ' আৰু আন এটা দলক 'আলয়' শব্দটোৰ কাৰ্ড দুখন দি সেই শব্দ দুটা লগলগাই কি শব্দ গঠন কৰিব পাৰি আন এটা দলক সুধিব। সেইদৰে তেওঁ 'পৰি' আৰু 'ঈক্ষা' শব্দৰ কাৰ্ড দুখন দি সেই দুটা শব্দ লগ লাগি কি শব্দ গঠন হ'ব তাৰ বাবে বহুত কেইটা শব্দ উলিয়াই দি তাৰ পৰা কোনটো শব্দ শুদ্ধ হ'ব বিচাৰি উলিয়াবলৈ দিব পাৰে। যেনে —

পৰি + ঈক্ষা =

পৰিচয়

পৰিণাম

প্ৰতীক্ষা

পৰীক্ষা

এনেদৰে দি কোনটো শুদ্ধ হ'ব বিচাৰ কৰিবলৈ দিব। ভুল হ'লে লগে লগে শুদ্ধ কৰি দিব আৰু লগে লগে শব্দটো সন্ধিৰ কোনটো ভাগ (স্বৰসন্ধি, ব্যঞ্জনসন্ধি, বিসৰ্গ সন্ধি) ত পাৰে আৰু কিয় হয় বুজাই দিব।

এনেদৰে শিক্ষকে শব্দ কাৰ্ডৰ সহায়ত শব্দৰ লগত স্ত্ৰী প্ৰত্যয় লগ লগাই কোনবোৰ শব্দৰ নতুন ৰূপ সাধন কৰিব পাৰি দেখুৱাই দিব পাৰে।

এইদৰে শ্ৰেণীকোঠাত সকলো ধৰণৰ ছাত্ৰ-ছাত্ৰীক জড়িত কৰাই এনেধৰণৰ ক্ৰিয়া-কলাপ বাৰে বাৰে কৰাব পাৰে।

***বিঃ দ্ৰঃ শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।***

**সাৰাংশ ঃ** ছাত্ৰ-ছাত্ৰীসকলে —

- ⇨ ভাষাৰ ব্যাকৰণিক দুৰ্বলতা দূৰ কৰিবলৈ বিভিন্ন ক্ৰিয়া-কলাপ আৰু অনুশীলন কৰিছে।
- ⇨ সন্ধি শুদ্ধভাৱে ভাঙিব, যোৰা লগাব পাৰিছে।
- ⇨ শব্দৰ জ্ঞান বাঢ়িছে আৰু দৈনন্দিন জীৱনত ক্ষেত্ৰ ভেদে ব্যৱহাৰ হোৱা শব্দবোৰ বাছি উলিয়াব পাৰিছে।

➩ শব্দত স্ত্ৰী প্ৰত্যয় লগ কৰি লিংগ পৰিৱৰ্তন কৰিব পৰা হৈছে আৰু অসমীয়া ভাষাৰ স্ত্ৰী প্ৰত্যয় বিচাৰি উলিয়াব পৰা হৈছে।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহকচোন —

১) তলত দিয়া শব্দবোৰৰ মাজৰ পৰা তৎসম, তদ্ভৱ আৰু ইংৰাজী শব্দ বিচাৰ কৰা।

আকাশ, জীৱন, কাণ, হ্ৰস্ব, আজি, হাত, স্কুল, হস্পিতাল, ডেক্স।

২) তলত দিয়া শব্দকেইটাৰ সন্ধি ভাঙা আৰু যোৰা লগোৱা।

মুনীন্দ্ৰ, বিদ্যালয়।

হিম + আলয়, নিঃ + চয়

৩) তলৰ শব্দকেইটাৰ পিছত কি কি স্ত্ৰী প্ৰত্যয় সংযোগ হৈছে বিচাৰ কৰা।

ভকতনী, সাদৰী, কমাৰণী, দন্দুৰী, বান্দৰী

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

১) 'নিয়ৰ' আৰু 'এন্ ফ্ৰাঙ্কৰ ডায়েৰি' পাঠ দুটিৰপৰা পাঠৰ অন্তৰ্ভূক্ত তৎসম শব্দ, তদ্ভৱ শব্দ আৰু ইংৰাজী শব্দবোৰ বাছি উলিওৱা।

২) সন্ধিৰ ভাগ কেইটা আৰু কি কি? প্ৰতিটো ভাগৰে দুটাকৈ উদাহৰণ দিয়া।

৩) তলত দিয়া শব্দকেইটাৰ সন্ধি ভাঙা।

মুনীন্দ্ৰ, সঞ্চয়, নয়ন, বিদ্যালয়।

৪) অসমীয়া ভাষাত স্ত্ৰী প্ৰত্যয় কেইটা আৰু কি কি?

**প্ৰসঙ্গ পুথি ঃ**

➩ নতুন পাঠ ( অষ্টম ভাগ)

➩ বহল ব্যাকৰণ — সত্যনাথ বৰা।

➩ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

******